**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-02-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
**--------------------**

ৰাজ্য চৰকাৰে আজি অসম লোকসেৱা আয়োগৰ অধীনৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ ৫৬৪ গৰাকী প্ৰাৰ্থীক বিভিন্ন বিভাগত নিযুক্তি পত্ৰ বিতৰণৰ উদ্দেশ্যে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত এটা অনুষ্ঠানৰ আয়োজন কৰে। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকি প্ৰাৰ্থীসকলক নিযুক্তি পত্ৰ প্ৰদান কৰে। জনস্বাস্থ্য কাৰিকৰী বিভাগত সৰ্বাধিক ২৬২ গৰাকী আৰু বিত্ত বিভাগত ৯৬ গৰাকী প্ৰাৰ্থীক নিযুক্তি দিয়া হৈছে। উল্লেখযোগ্য যে অৰ্জুন বঁটাৰে সন্মানিত ধনুৰ্বিদ জয়ন্ত তালুকদাৰক ৰাজ্য চৰকাৰে উপ-আৰক্ষী অধীক্ষক হিচাপে নিযুক্তি দিছে। ইয়াৰ লগে লগে চৰকাৰে পূৰ্বে প্ৰতিশ্ৰুতি দিয়া অনুসৰি একলাখ নিযুক্তি অতিক্ৰম কৰিছে।

০০০০০০

অসম চুক্তিৰ ৬ নম্বৰ দফা কাৰ্যকৰীকৰণ সন্দৰ্ভত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজত আলোচনা অনুষ্ঠিত হ'ব। এই বৈঠকত সাংবিধানিক ৰক্ষা কবচ সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ অধ্যক্ষতাত গঠন কৰা উচ্চস্তৰীয় সমিতিৰ প্ৰতিবেদনৰ ভিত্তিত আলোচনা কৰা হ'ব। দিছপুৰৰ লোকসেৱা ভৱনত হ'বলগীয়া আলোচনাৰ বাবে সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা, সাধাৰণ সম্পাদক সমীৰণ ফুকন আৰু মুখ্য উপদেষ্টা সমুজ্জ্বল ভট্টাচাৰ্যক আমন্ত্ৰণ জনোৱা হৈছে।

০০০০০০

অসমৰ ৫০ হাজাৰৰো অধিক যুৱক-যুৱতীয়ে জাপানত চাকৰি লাভ কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আশা প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে কালি সমাগত এডভাণ্টেজ আছাম সন্মিলনৰ দ্বিতীয় সংস্কৰণৰ প্ৰস্তুতি সন্দৰ্ভত এখন সংবাদমেলত প্ৰকাশ কৰি কয়, যে এই সন্মিলনতে অসম চৰকাৰে জাপান আৰু ছিংগাপুৰৰ বিভিন্ন ব্যৱসায়িক সংস্থাৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰাৰ সম্ভাৱনা আছে। এই অনুসৰি জাপানে অসমত এটা ভাষা কেন্দ্ৰ স্থাপন কৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে এই কেন্দ্ৰটোত ৯ মাহৰ বাবে প্ৰশিক্ষণ শিবিৰ মুকলি কৰা হ'ব। প্ৰশিক্ষণপ্ৰাপ্ত লোকসকলে ভাৰতত থকা জাপানৰ প্ৰতিষ্ঠানসমূহত চাকৰি লাভ কৰাৰ লগতে ৫০ হাজাৰ যুৱক-যুৱতীয়ে জাপানত চাকৰি লাভ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তদুপৰি ছিংগাপুৰতো অসমীয়া যুৱক-যুৱতীৰ বাবে নিযুক্তিৰ পথ প্ৰশস্ত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ৰাজ্যখনৰ চৰকাৰী নাৰ্চিং মহাবিদ্যালয়সমূহত ছিংগাপুৰে ইংৰাজী বিষয়ত পাঠ দান কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰা বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে সংবাদমেলত প্ৰকাশ কৰে। এডভাণ্টেজ আছাম সন্মিলনৰ বাবে বৰ্তমানলৈ ৭ হাজাৰৰো অধিক প্ৰতিষ্ঠানে পঞ্জীয়ন কৰিছে বুলি তেওঁ জানিবলৈ দিয়ে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২৫ ফেব্ৰুৱাৰীত উদ্বোধন কৰিবলগীয়া দুদিনীয়া সন্মিলনলৈ ৩১ খন বিদেশী ৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূতক আমন্ত্ৰণ জনোৱা হৈছে। তদুপৰি ভূটান, জাপান, ছিংগাপুৰ, অষ্ট্ৰেলিয়া, থাইলেণ্ড আৰু

মালয়েছিয়াই এই সন্মিলনৰ সহযোগী ৰাষ্ট্ৰ হিচাপে অংশ ল'ব বুলি ডঃ শৰ্মাই প্ৰকাশ কৰে। এই সন্মিলনত ফিনলেণ্ড, ফিলিপিন্স, আইচলেণ্ড, অষ্ট্ৰিয়া আৰু দক্ষিণ কোৰিয়াইয়ো অংশ ল'ব। তদুপৰি কেবাটাও আগশাৰীৰ উদ্যোগগোষ্ঠীয়ে এই অনুষ্ঠানত অংশ লোৱাৰ বাবে সন্মতি প্ৰকাশ কৰিছে। এই সন্মিলনত পৰ্যটন, নৱীকৰণযোগ্য শক্তিখণ, হাইড্ৰ' কাৰ্বন ইলেকট্ৰনিক্স আৰু ছেমিকণ্ডাক্টৰ, এৰো স্পেছ আৰু প্ৰতিৰক্ষা খণ্ডৰ উৎপাদন, বাঁহ উদ্যোগ আৰু বহনক্ষম কৃষিকে ধৰি কেইবাটাও বিষয়ত গুৰুত্ব আৰোপ কৰা হয়। অনুষ্ঠানত ৭ গৰাকী কেন্দ্ৰীয় মন্ত্ৰীয়ে গুৰুত্বপূৰ্ণ আলোচনাৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

০০০০০০

কাৰ্বি আংলং জিলাৰ ডিফুৰ সমীপৰ তাৰালাংছ'ত আজি কাৰ্বি সাংস্কৃতিক সমাজৰ উদ্যোগত ৫১ সংখ্যক কাৰ্বি যুৱ মহোৎসৱ বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ হৈছে। কাৰ্বি সাংস্কৃতিক সমাজৰ সভাপতি চন্দ্ৰ সিং ক্ৰ'ই পতাকা উত্তোলনেৰে আজি এই মহোৎসৱৰ শুভাৰম্ভ কৰে। কাৰ্বি কলা-কৃষ্টিৰ সংৰক্ষণ, সংবৰ্ধন আৰু প্ৰচাৰ-প্ৰসাৰৰ উদ্দেশ্যে ১৯৭৪ চনৰ পৰাই কাৰ্বি যুৱ মহোৎসৱ উদযাপন কৰি অহা হৈছে। এই মহোৎসৱৰ উদ্বোধনী অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিছে। অহা ১৯ ফেব্ৰুৱাৰীলৈকে হ'বলগীয়া এই মহোৎসৱত আজি কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্যসকলৰ লগতে বিভিন্ন ৰাজনৈতিক আৰু অৰাজনৈতিক দল-সংগঠনৰ প্ৰতিনিধিয়ে এই অনুষ্ঠানত অংশগ্ৰহণ কৰিছে।

০০০০০০

যোৰহাটৰ টিয়ক নগৰৰ মিচিং কৃষ্টি সমিতিয়ে আলি আই লৃগাং উদযাপনৰ বাবে প্ৰস্তুতি চলাই আছে। মিচিং জনগোষ্ঠী লোকসকলে ফাগুনৰ প্ৰথমটো বুধবাৰে কৃষি ভিত্তিক উৎসৱ আলিং আই লৃগাং উদযাপন কৰে। টিয়ক নগৰ মিচিং কৃষ্টি সমিতিৰ ৰূপালী জয়ন্তী উপলক্ষে এইবাৰ পূৰ্বতকৈও অধিক উলহ-মালহেৰে এই উৎসৱ আয়োজনৰ বাবে ব্যাপক প্ৰস্তুতি হাতত লৈছে। আলি আই লৃগাঙৰ লগত সংগতি ৰাখি চিত্ৰাংকন প্ৰতিযোগিতা, জনগোষ্ঠীয় নৃত্য-গীত আদিৰ প্ৰতিযোগিতাও অনুষ্ঠিত হ'ব। টিয়ক এফ আৰ ইউৰ সমীপত থকা মিচিং মৰং ঘৰৰ বাকৰিত এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ইতিমধ্যে অঞ্চলটোৰ ডেকা-গাভৰুৱে ঐনিতমৰ সুৰত গুমৰাগ নৃত্যৰ অনুশীলনত ব্যস্ত হৈ পৰাৰ খবৰ আমালৈ আহিছে।

০০০০০০

বডোদৰাৰ কোটাম্বি ষ্টেডিয়ামত হ'বলগীয়া মহিলাৰ প্ৰীমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি এখন খেলত গুজৰাট জায়েণ্টছ, ইউ পি ৱাৰিয়ৰ্জৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

যোৱা নিশা দেলহী কেপিটেলছে মুম্বাই ইণ্ডিয়ানছক ২ উইকেটত পৰাস্ত কৰে। খেলখনত মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বেট ধৰি ১৯ অ'ভাৰ আৰু এটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৬৪ ৰান সংগ্ৰহ কৰে। দেলহী কেপিটেলছে ১৬৫ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৮টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। নিকি প্ৰসাদক **প্লেয়াৰ অৱ দ্যা মেচ** ঘোষণা কৰা হয়।

০০০০০০

সমাপ্ত